জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২১৭/২০২০**

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিত কৰ্মচাৰীসকলৰ ২০ লাখ টকা আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বিষয়া-কৰ্মচাৰীসকলৰ ৫.৭৩ লাখ টকাৰ বৰঙনি

## ক'ভিড-১৯ বিৰোধী যুঁজৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিৰ বৰঙনি অব্যাহত

**দিছপুৰ, ২৭ এপ্ৰিল ঃ** ক'ভিড-১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ ৰাজ্যখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে আগবঢ়োৱা বৰঙনি আজিও অব্যাহত আছে।

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিভিন্ন আঁচনিৰ অধীনত ঠিকাভিত্তিত নিয়োজিত কৰ্মচাৰীসকলে ২০ লাখ টকা আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানত কৰ্মৰত বিষয়া-কৰ্মচাৰীসকলে ৫.৭৩ লাখ টকা বৰঙনি আগবঢ়ায়। আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ কাৰ্যালয় কক্ষত এই বৰঙনিৰ চে'ক প্ৰদানৰ সময়ত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱকুমাৰ দলে, বিভাগৰ সচিব হেমেন দাস, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ ৰাজ্যিক অভিযান সঞ্চালক উৎপলা শইকীয়া, অতিৰিক্ত অভিযান সঞ্চালক ক্ষীতিশ চন্দ্ৰ পেগুও উপস্থিত আছিল। প্ৰতিনিধিৰ দলটোৱে আত্মসহায়ক গোটৰ দ্বাৰা তৈয়াৰ কৰা 'অসমী' ব্ৰেণ্ডৰ মাস্কো মুখ্যমন্ত্ৰীক প্ৰদান কৰে।

আনহাতে, অসম আৰোগ্য নিধিলৈ আজি তিনিচুকীয়া জিলাৰ টিংৰাইহাবি ৰাজহুৱা পানীযোগান আঁচনি পৰিচালনা সমিতিয়ে ৫০ হাজাৰ টকাৰ বৰঙনি আগবঢ়ায়।

**প্ৰঃকুঃবঃ / পুঃডেঃ/ বঃভাঃ**
**২৭/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in